(চ) অসমীয়া বধকাব্য

(ছ) ভট্টদেৱৰ গদ্য

(জ) অসমীয়া সাহিত্যৰ ইতিহাসত হেম সৰস্বতীৰ স্থান

৪। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ কৰা ঃ  ১০×২=২০

(ক) অসমীয়া ভাষাৰ উৎপত্তিৰ ইতিহাস চমুকৈ বৰ্ণনা কৰা।

(খ) ‘গুৰু-শিষ্যৰ মণিকাঞ্চন সংযোগ’ পাঠ্যাংশৰ মূল কথাখিনি আধুনিক অসমীয়া ভাষাত প্ৰকাশ কৰা।

(গ) বৰগীতৰ বিষয়বস্তুৰ সম্যক ধাৰণা দি শংকৰদেৱ আৰু মাধৱদেৱৰ বৰগীতৰ এটি তুলনা দাঙি ধৰা।

(ঘ) মাধৱ কন্দলিত ‘ৰামায়ণ’ত ফুটি উঠা কাব্যিক সৌন্দৰ্য ‘লংকাৰ বিৱৰণ’ শীৰ্ষক পাঠ্যাংশৰ আধাৰত বিশ্লেষণ কৰা।

(ঙ) লোকগীত বুলিলে কি বুজা? অসমীয়া লোকগীত সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।





**1 (Sem–1) ASS**

## 2024

## ASSAMESE

Paper : ASS0100104

***[Axomiya Bhasha Aru Sahityor Itihash (Up to Year 1826)]***

*Full Marks : 60*

Time : 2½ hours

***The figures in the margin indicate full marks for the questions.***

১। অতি চমুকৈ উত্তৰ দিয়া ঃ  ১×৮=৮

(ক) অসমীয়া ভাষা কোনটো ভাষা পৰিয়ালৰ অন্তৰ্গত?

(খ) চীনা পৰিব্ৰাজক হিউৱেন চাঙে কোন শতিকাত অসমীয়া ভাষা সম্পৰ্কে মন্তব্য কৰিছিল?

(গ) মহেশ্বৰ নেওগে সংকলন কৰা অসমীয়া সাহিত্যৰ বুৰঞ্জী গ্ৰন্থখনৰ নাম কি?

(ঘ) ‘প্ৰহ্লাদ চৰিত’ গ্ৰন্থখন কোনে প্ৰথমে সম্পাদনা কৰি প্ৰকাশ কৰিছিল?

(ঙ) গোৱালপৰীয়া লোকগীত পৰিৱেশন কৰা এগৰাকী প্ৰখ্যাত শিল্পীৰ নাম লিখা।

(চ) কোনগৰাকী কবি 'অসমীয়া ব্যাস' ৰূপে প্ৰসিদ্ধ?

(ছ) সুকবি নাৰায়ণ দেৱ ৰচিত পদাৱলী জনমানসত কি নামেৰে পৰিচিত?

(জ) সুকুমাৰ বৰকাথ ৰচিত 'হস্তীবিদ্যাৰ্ণৱ' গ্ৰন্থখনক বুৰঞ্জীকাৰসকলে কি সাহিত্য হিচাপে অভিহিত কৰিছে?

২। চমু উত্তৰ দিয়া : *(যিকোনো ছটা)* ২×৬=১২

(ক) অসমীয়া ভাষাৰ আদিৰূপ প্ৰতিফলিত হোৱা কামৰূপৰ ৰজা কুমাৰ ভাস্কৰ বৰ্মাৰ *দুখন* শাসনৰ (তাম্ৰফলি) নাম লিখা।

(খ) 'উষ্ণা, উষ্ণা পৰৱত....' শীৰ্ষক চৰ্যাগীতটোত ব্যৱহৃত 'নিঅ ঘৰিণী' শব্দ দুটাই কি অৰ্থ প্ৰকাশ কৰিছে?

(গ) 'শ্ৰীকৃষ্ণ কীৰ্তন' পুথিখন ১৯০৯ চনত কোনগৰাকী বঙালী পণ্ডিতে কাৰ ঘৰৰ পৰা উদ্ধাৰ কৰি পৰৱৰ্তী সময়ত প্ৰকাশ কৰিছিল?

(ঘ) 'হস্তীবিদ্যাৰ্ণৱ' পুথিখন কোন দুগৰাকী ব্যক্তিৰ আদেশত সুকুমাৰ বৰকাথে ৰচনা কৰিছিল?



(ঙ) সূৰ্যকুমাৰ ভূঞাই সম্পাদনা কৰি প্ৰকাশ কৰা *দুখন* বুৰঞ্জীৰ নাম লিখা।

(চ) 'কথাগীতা'ৰ উপৰিও ভট্টদেৱে গদ্যত ৰচনা কৰা অন্য *দুখন* গ্ৰন্থৰ নাম লিখা।

(ছ) কোন দুগৰাকী পণ্ডিতে বৰগীতক ক্ৰমে 'Holly Songs' আৰু 'Songs of Celestial' আখ্যা দিছিল?

(জ) 'কথা-গুৰু-চৰিত' আৰু 'গুৰু-চৰিত-কথা' সম্পাদনা কৰা সম্পাদক দুগৰাকীৰ নাম লিখা।

(ঝ) মাধৱদেৱ ৰচিত *দুখন* কাব্যৰ নাম উল্লেখ কৰা।

(ঞ) হেমচন্দ্ৰ গোস্বামীয়ে 'অসমীয়া সাহিত্যৰ চানেকি' গ্ৰন্থত অসমীয়া সাহিত্যৰ যুগবিভাগ কৰোঁতে প্ৰথম দুটা যুগৰ কি নামেৰে অভিহিত কৰিছে?

৩। চমু টোকা লিখা : *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) অসমীয়া ভাষা-সাহিত্যৰ ইতিহাসত ইয়াণ্ডাবু সন্ধিৰ প্ৰভাৱ

(খ) চৰ্যাপদৰ ভাষা

(গ) প্ৰাক্-শংকৰী যুগৰ সাহিত্যৰ পটভূমি

(ঘ) অসমীয়া ব্যৱহাৰিক সাহিত্য

(ঙ) মাধৱদেৱৰ নাট্যপ্ৰতিভা